"মৰমৰ সন্তানসকল – পিতা আহিছে তোমালোকক জ্ঞানৰ তৃতীয় নেত্ৰ দিবলৈ যাৰ দ্বাৰা তোমালোকে সৃষ্টিৰ আদি-মধ্য-অন্তক জানা"

প্ৰশ্ন: সিংহী শক্তিসকলেহে কোনটো কথা সাহসেহেৰে বুজাব পাৰে?

উত্তৰ: অন্য ধৰ্মাৱলম্বীসকলক এইটো কথা বুজাব লাগে যে, পিতাই কয় - তোমালোকে নিজক আত্মা বুলি বুজা, পৰমাত্মা নহয়। আত্মা বুলি বুজি পিতাক স্মৰণ কৰা তেতিয়া বিকৰ্ম বিনাশ হ'ব আৰু তোমালোক মুক্তিধামলৈ গুচি যাবা। পৰমাত্মা বুলি ভাবিলে তোমালোকৰ বিকৰ্ম বিনাশ হ'ব নোৱাৰে। এইটো কথা বৰ সাহসেৰে সিংহী শক্তিসকলেহে বুজাব পাৰে। বুজোৱাৰো অভ্যাস থাকিব লাগে।

গীত: নয়নহীন কো ৰাহ দিখাও… (নয়নহীনক মাৰ্গ-দৰ্শন কৰা......)

ওঁম্ শান্তি। সন্তানসকলে অনুভৱ কৰি আছে - আত্মিক স্মৃতিৰ যাত্ৰাত কঠিনতা দেখা পোৱা যায়। ভক্তিমাৰ্গত দুৱাৰে দুৱাৰে ঠেকা-খুন্দা খাবলগীয়া হয়েই। বহুত প্ৰকাৰৰ জপ-তপ-যজ্ঞ কৰে, শাস্ত্ৰ আদি পঢ়ে, যি কাৰণে ব্ৰহ্মাৰ ৰাতি বুলি কোৱা হয়। আধাকল্প ৰাতি, আধাকল্প দিন। ব্ৰহ্মাতো অকলে নহ'ব নহয়। প্ৰজাপিতা ব্ৰহ্মা আছে যেতিয়া নিশ্চয় তেওঁৰ সন্তান কুমাৰ-কুমাৰীসকলো থাকিব। কিন্তু মনুষ্যই নাজানে। পিতাইহে সন্তানসকলক জ্ঞানৰ তৃতীয় নেত্ৰ প্ৰদান কৰে, যাৰ দ্বাৰা তোমালোকে আদি-মধ্য-অন্তৰ জ্ঞান পাইছা। তোমালোক কল্প পূৰ্বেও ব্ৰাহ্মণ আছিলা আৰু দেৱতা হৈছিলা, যিসকল হৈছিল তেওঁলোকেই আকৌ হ'ব। তোমালোক আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ হোৱা। তোমালোকেই পূজ্য আৰু পূজাৰী হোৱা। ইংৰাজীত পূজ্যক 'ৱৰ্শ্বিপ-ৱৰ্থি' আৰু পূজাৰীক 'ৱৰ্শ্বিপাৰ' বুলি কোৱা হয়। ভাৰতেই আধাকল্প পূজাৰী হয়। আত্মাই মানি লয় যে আমিয়ে পূজ্য আছিলোঁ আকৌ আমিয়ে পূজাৰী হৈছোঁ। পূজ্যৰ পৰা পূজাৰী আকৌ পূজ্য হওঁ। পিতাতো পূজ্য পূজাৰী নহয়। তোমালোকে ক'বা - আমি সেই পূজ্য পাৱন তথা দেৱী-দেৱতা আছিলোঁ আকৌ 84 জন্মৰ পাছত সম্পূৰ্ণৰূপে পতিত পূজাৰী হৈ যাওঁ। এতিয়া ভাৰতবাসী যিসকল আদি সনাতন দেৱী দেৱতা ধৰ্মৰ আছিল, তেওঁলোকে নিজৰ ধৰ্মৰ বিষয়ে একো নাজানে। তোমালোকৰ এই কথাবোৰ সকলো ধৰ্মাৱলম্বীয়ে বুজি নাপাব, যিসকল এই ধৰ্মৰ পৰা কোনো বেলেগ ধৰ্মত ধৰ্মান্তৰিত হৈ গৈছে তেওঁলোকেই আহিব। এনেকৈ ধৰ্মান্তৰিততো হৈ গৈছে। পিতাই কয় - যিসকল শিৱ আৰু দেৱতাসকলৰ পূজাৰী, তেওঁলোকৰ বাবে সহজ। অন্য ধৰ্মাৱলম্বীয়ে মগজ নষ্ট কৰিব। যিসকল ধৰ্মান্তৰিত হৈছে তেওঁলোক প্ৰেৰিত হ'ব আৰু আহি বুজিবলৈ চেষ্টা কৰিব। নহ'লেতো নামানিব। আৰ্যসমাজীসকলৰ মাজৰ পৰাও বহুত আহিছে। শিখলোকো আহিছে। আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ যিসকল ধৰ্মান্তৰিত হৈ গৈছে তেওঁলোক নিজৰ ধৰ্মত নিশ্চয় আহিব লাগিব। বৃক্ষতো বেলেগ বেলেগ শাখা আছে। আকৌ আহিবও ক্ৰম অনুসৰি। ঠাল-ঠেঙুলি ওলাই থাকিব। তেওঁলোক পৱিত্ৰ হোৱাৰ কাৰণে তেওঁলোকৰ ভাল প্ৰভাৱ পৰে। এইসময়ত দেৱী-দেৱতা ধৰ্মৰ ভেটি নাই যিটো আকৌ প্ৰতিষ্ঠা কৰিবলগীয়া হয়। ভাই-ভনীতো হ'বলগীয়াই হয়। আমি এজন পিতাৰ সন্তান সকলো আত্মা ভাই ভাই হওঁ। আকৌ ভাই-ভনী হওঁ। এতিয়া যেনেকৈ নতুন সৃষ্টি স্থাপনা হৈ আছে, পোন প্ৰথমে হৈছে ব্ৰাহ্মণ। নতুন সৃষ্টি স্থাপনাত প্ৰজপিতা ব্ৰহ্মাকতো নিশ্চয় লাগে। ব্ৰহ্মাৰ দ্বাৰাহে ব্ৰাহ্মণ হ'ব। ইয়াক ৰুদ্ৰ জ্ঞান যজ্ঞ বুলিও কোৱা হয়, ইয়াত ব্ৰাহ্মণ নিশ্চয় লাগে। প্ৰজাপিতা ব্ৰহ্মাৰ সন্তান নিশ্চয় লাগে। তেওঁ হৈছে গ্ৰেট গ্ৰেট গ্ৰেণ্ড ফাদাৰ। ব্ৰাহ্মণ আছে এক নম্বৰত টিকনিধাৰী (আটাইতকৈ শ্ৰেষ্ঠ)। আদম বীবী, এদম ইভক মানেও। এই সময়ত তোমালোক পূজাৰীৰ পৰা পূজ্য হৈ আছা। তোমালোকৰ সকলোতকৈ উত্তম স্মাৰক হৈছে দেলৱাৰা মন্দিৰ। তলত তপস্যাত বহি আছে, ওপৰত ৰাজ্য-ভাগ্য আৰু ইয়াত তোমালোক চৈতন্য ৰূপত বহি আছা। এই মন্দিৰ ধ্বংস হৈ যাব আকৌ ভক্তিমাৰ্গত সাজিব।

তোমালোকে জানা এতিয়া আমি ৰাজযোগ শিকি আছোঁ আকৌ নতুন সৃষ্টিলৈ যাম। সেয়া হৈছে জড় মন্দিৰ, তোমালোক চৈতন্য ৰূপত বহি আছা। মুখ্য মন্দিৰ এইটো সঠিককৈ সাজি থোৱা আছে। নহ'লে স্বৰ্গক ক'ত দেখুৱাব সেইকাৰণে ছাদত স্বৰ্গ দেখুৱাইছে। ইয়াৰ ওপৰত বহুত ভালদৰে বুজাব পাৰা। কোৱা যে ভাৰতেই স্বৰ্গ আছিল এতিয়া আকৌ ভাৰত নৰক হ'ল। এইটো ধৰ্মৰ লোকে তৎক্ষণাৎ বুজিব। হিন্দুসকলৰ মাজতো দেখিবা অনেক প্ৰকাৰৰ ধৰ্মত ধৰ্মান্তৰিত হৈ গৈছে। তোমালোকে বহুত পৰিশ্ৰম কৰিবলগীয়া হয় উলিয়াই আনিবৰ কাৰণে। পিতাই বুজাইছে - নিজক আত্মা বুলি বুজি মামেকম্ (কেৱল মোক) স্মৰণ কৰা, বচ্ আৰু একো কথাই পাতিব নালাগে। যাৰ অভ্যাস নাই তেওঁতো কথা পতাও উচিত নহয়। নহ'লে বি.কে.ৰ নাম বদনাম কৰি দিয়ে। যদি অন্য ধৰ্মৰ লোক হয় তেন্তে বুজোৱা উচিত যে, যদি আপুনি মুক্তিধামলৈ যাব বিচাৰে তেন্তে নিজক আত্মা বুলি বুজক, পিতাক স্মৰণ কৰক। নিজক পৰমাত্মা বুলি নাভাবিব। নিজক

আত্মা বুলি বুজি পিতাক স্মৰণ কৰিলে আপোনাৰ জন্ম-জন্মান্তৰৰ পাপ খণ্ডন হৈ যাব আৰু মুক্তিধামলৈ গুচি যাব। তোমালোকৰ কাৰণে এই ‘মনমনাভৱ’ মন্ত্রই যথেষ্ট। কিন্তু বাৰ্তালাপ কৰিবলৈ সাহসৰ প্রয়োজন। সিংহী শক্তিসকলেহে সেৱা কৰিব পাৰে। সন্ন্যাসীসকলে বাহিৰলৈ গৈ বিদেশীসকলক লৈ আহে যে বলক আপোনালোকক আধ্যাত্মিক জ্ঞান দিম। এতিয়া তেওঁলোকে পিতাকতো নাজানেই। ব্রহ্মকে ভগৱান বুলি বুজি কৈ দিয়ে - ইয়াক (ব্রহ্ম তত্বক) স্মৰণ কৰা। বচ এইটো মন্ত্র দি দিয়ে, যেনেকৈ কোনো পক্ষীক নিজৰ সজাত ভৰাই দিয়ে। গতিকে এনেকৈ বুজাবলৈও সময় লাগে। বাবাই কৈছিল - প্রত্যেক চিত্রৰ ওপৰতে লিখা থাকিব লাগে - শিৱ ভগৱানুবাচ।

তোমালোকে জানা এই জগতত গৰাকী অবিহনে সকলো অনাথ। আহ্বান জনায় - আপুনি পিতা মাতা.... বাৰু ইয়াৰ অৰ্থ কি? এনেয়ে কৈ থাকে আপোনাৰ কৃপাতে অপাৰ সুখ পাওঁ। এতিয়া পিতাই তোমালোকক স্বৰ্গৰ সুখৰ কাৰণে পঢ়াই আছে, যাৰ কাৰণে তোমালোকে পুৰুষাৰ্থ কৰি আছা। যিয়ে কৰিব তেৱেঁ পাব। এই সময়ততো সকলো পতিত। পাৱন সৃষ্টিতো একমাত্র স্বৰ্গই হয়, ইয়াত কোনোৱেই সতোপ্রধান হ’ব নোৱাৰে। সত্যযুগত যিসকল সতোপ্রধান আছিল, তেওঁলোকেই তমোপ্রধান পতিত হৈ যায়। যীশুখ্রীষ্টৰ পাছত যিসকল তেওঁৰ ধৰ্মৰ লোক আহে, তেওঁলোকতো প্রথমে সতোপ্রধান হ’ব নহয়। যেতিয়া লাখৰ হিচাপত হয় তেতিয়া সৈন্য তৈয়াৰ হয়, যুদ্ধ কৰি বাদশ্বাহী ল’বলৈ। তেওঁলোকৰ সুখো কম, দুখো কম। তোমালোকৰ দৰে সুখতো কোনেও পাব নোৱাৰে। তোমালোক এতিয়া সুখধামলৈ আহিবৰ কাৰণে তৈয়াৰ হৈ আছা। বাকী সকলো ধৰ্ম জানো স্বৰ্গত আহে। ভাৰত যেতিয়া স্বৰ্গ আছিল, সেই ভাৰতৰ দৰে কোনো পাৱন খণ্ড নাথাকে। যেতিয়া পিতা আহে তেতিয়াহে ঈশ্বৰীয় ৰাজ্য স্থাপনা হয়। তাত যুদ্ধ আদিৰ কথা নাই। যুদ্ধ-বিগ্রহতো বহুত পাছত আৰম্ভ হয়। ভাৰতবাসীয়ে ইমান যুদ্ধ কৰা নাই। অলপ পৰস্পৰ যুদ্ধ কৰি বেলেগ হৈ গৈছে। দ্বাপৰত ইজনে সিজনক আক্রমণ কৰে। এই চিত্র আদি তৈয়াৰ কৰিবলৈও বিশাল বুদ্ধিৰ প্রয়োজন। এইটোও লিখা উচিত যে ভাৰত যি স্বৰ্গ আছিল সেই ভাৰতেই আকৌ নৰকৰ দৰে হৈ গ’ল, আহি বুজক। ভাৰত সৎগতিত আছিল এতিয়া দুৰ্গতিত আছে। এতিয়া সৎগতি পাবৰ কাৰণে পিতাইহে জ্ঞান দিয়ে। মনুষ্যই এই আত্মিক (আধ্যাত্মিক) জ্ঞান নাই। এই জ্ঞান পৰমপিতা পৰমাত্মাৰহে থাকে। পিতাই এই জ্ঞান দিয়ে আত্মাসকলক। বাকীতো সকলো মনুষ্যই মনুষ্যকে দিয়ে। শাস্ত্রও মনুষ্যই লিখিছে, মনুষ্যই পঢ়িছে। ইয়াততো তোমালোকক আত্মিক পিতাই পঢ়ায় আৰু আত্মাসকলে পঢ়ে। পঢ়োঁতাতো আত্মা হয় নহয়। সেয়া লিখোঁতা আৰু পঢ়োঁতা মনুষ্যই হয়। পৰমাত্মাইতো শাস্ত্র আদি পঢ়াৰ দৰকাৰ নাই। পিতাই কয় - এই শাস্ত্র আদিৰে কাৰো সৎগতি হ’ব নোৱাৰে। মইহে আহি সকলোকে উভতাই লৈ যাব লাগে। এতিয়াতো জগতত কোটি কোটি মনুষ্য আছে। সত্যযুগত যেতিয়া লক্ষ্মী-নাৰায়ণৰ ৰাজত্ব আছিল, তেতিয়া তাত 9 লাখ হয়। বহুত সৰু বৃক্ষ হ’ব। তেন্তে বিচাৰ কৰা ইমানবোৰ আত্মা কলৈ গ’ল? ব্রহ্মত বা পানীততো বিলীন হৈ যোৱা নাই। সেই সকলো আত্মা মুক্তিধামত থাকে। প্রতিটো আত্মাই অবিনাশী, আত্মাত অবিনাশী ভূমিকা নিহিত হৈ আছে যিটো কেতিয়াও নাইকিয়া হৈ যাব নোৱাৰে। আত্মা বিনাশ হ’ব নোৱাৰে। আত্মাতো বিন্দু হয়। বাকী নিৰ্বাণ আদিলৈ কোনেও নাযায়। সকলোৱে ভূমিকা পালন কৰিবই লাগে। যেতিয়া সকলোবোৰ আত্মা আহি যায়, তেতিয়া মই আহি সকলোকে লৈ যাওঁ। অন্তিমত পিতাৰে ভূমিকা থাকে। নতুন সৃষ্টিৰ স্থাপনা আকৌ পুৰণি সৃষ্টিৰ বিনাশ। এয়াও ড্রামাত নিৰ্ধাৰিত হৈ আছে। তোমালোকে আৰ্যসমাজী দলক বুজালে তেতিয়া সেইসকলৰ মাজত যিসকল এই দেৱী দেৱতা ধৰ্মৰ হ’ব তেওঁলোক প্রেৰিত হ’ব। যথাযথ এই কথাবোৰতো ঠিকেই, পৰমাত্মা কেনেকৈ সৰ্বব্যাপী হ’ব পাৰে। ভগৱানতো পিতা হয়, তেওঁৰ পৰা উত্তৰাধিকাৰ পোৱা যায়। কোনো কোনো আৰ্যসমাজীও তোমালোকৰ ওচৰত আহে নহয়। তেওঁলোককে পুলি বুলি কোৱা হয়। তোমালোকে বুজাই থাকা তেতিয়া তোমালোকৰ কুলৰ যিসকল হ’ব তেওঁলোক আহি যাব। ভগৱান পিতায়ে পাৱন হোৱাৰ যুক্তি শুনায়। ভগৱানুবাচ মামেকম্ স্মৰণ কৰা, মই পতিত-পাৱন হওঁ, মোক স্মৰণ কৰিলে তোমালোকৰ বিকৰ্ম বিনাশ হ’ব আৰু মুক্তিধামত আহি যাবা। এইটো বাৰ্তা সকলো ধৰ্মৰ লোকৰ বাবে। কোৱা, পিতাই কয় - দেহৰ সকলো ধৰ্ম এৰি মোক স্মৰণ কৰা তেতিয়া তোমালোক তমোপ্রধানৰ পৰা সতোপ্রধান হৈ যাবা। মই গুজৰাটী, মই অমুক - এই সকলোবোৰ ত্যাগ কৰা। নিজক আত্মা বুলি বুজা আৰু পিতাক স্মৰণ কৰা। এয়া হৈছে যোগ অগ্নি। সাৱধানে খোজ দিব লাগে। সকলোৱে নুবুজিব। পিতাই কয় – পতিত-পাৱন ময়েই হওঁ। তোমালোক সকলো পতিত, পাৱন নোহোৱাকৈ নিৰ্বাণধামলৈও আহিব নোৱাৰে। ৰচনাৰ আদি-মধ্য-অন্তকো বুজিব লাগে। সম্পূৰ্ণকৈ বুজিলেহে উচ্চ পদ পাবা। যদি অলপ ভক্তি কৰিছে তেন্তে অলপ জ্ঞান বুজিব। যদি বহুত ভক্তি কৰিছে তেন্তে বহুত জ্ঞান আহৰণ কৰিব। পিতাই যি বুজায় সেয়া ধাৰণ কৰিব লাগে। বানপ্রস্থীসকলৰ কাৰণে আৰু সহজ। গৃহস্থালিৰ পৰা আঁতৰি যায়। বানপ্রস্থ অৱস্থা 60 বছৰৰ পাছত হয়। তেতিয়াই গুৰুৰো শৰণাগত হয়। আজিকালিতো সৰুকালতে গুৰুৰ শৰণাপন্ন কৰাই দিয়ে। নহ’লেতো প্রথমে পিতা, পাছত শিক্ষক, আকৌ 60 বছৰ পাছত গুৰুৰ শৰণ লোৱা হয়। সৎগতি দাতাতো একমাত্র পিতাহে হয়, এই অনেক গুৰুলোকসকল জানো হয়। এয়াতো সকলো হৈছে ধন উপাৰ্জনৰ উপায়, সৎগুৰু হৈছেই এজন - সকলোৰে সৎগতি কৰোঁতা। পিতাই কয় - মই তোমালোকক

সকলো বেদ-শাস্ত্ৰৰ সাৰ বুজাওঁ। এই সকলোবোৰ হৈছে ভক্তিমাৰ্গৰ সামগ্ৰী। ছিৰি নামিবলগীয়া হয়। জ্ঞান, ভক্তি আকৌ ভক্তিৰ প্ৰতি বৈৰাগ্য। যেতিয়া জ্ঞান পোৱা যায়, তেতিয়াহে ভক্তিৰ প্ৰতি বৈৰাগ্য জন্মে। এই পুৰণি সৃষ্টিৰ প্ৰতি তোমালোকৰ বৈৰাগ্য জন্মে। বাকী জগতখন এৰি ক'লৈ যাবা? তোমালোকে জানা এই জগতখনেই নাশ হৈ যাব সেইকাৰণে এতিয়া বেহদ জগতৰ সন্ন্যাস কৰিব লাগে। পৱিত্ৰ নোহোৱাকৈ ঘৰলৈ যাব নোৱাৰা। পৱিত্ৰ হ'বৰ কাৰণে স্মৃতিৰ যাত্ৰাৰ প্ৰয়োজন। ভাৰতত ৰক্তৰ নদী বোৱাৰ পাছত গাখীৰৰ নদী ব'ব। বিষ্ণুকো ক্ষীৰ সাগৰত দেখুৱায়। বুজোৱা হয় - এই যুদ্ধৰ দ্বাৰা মুক্তি-জীৱনমুক্তিৰ দ্বাৰ খোলে। যিমানে তোমালোক সন্তানসকল আগবাঢ়িবা সিমানে আৱাজ বিয়পিব। এতিয়া যুদ্ধ হোৱাৰ পথত। এটা ফিৰিঙতিৰ পৰা চোৱা আগতে কি হৈছিল। বুজি পায় যে নিশ্চয় যুদ্ধ কৰিব। যুদ্ধ চলিয়েই থাকে। ইজন সিজনৰ সহায়কাৰী হৈ থাকে। তোমালোককো যদি নতুন সৃষ্টি লাগে তেন্তে পুৰণি সৃষ্টি নিশ্চয় সমাপ্ত হোৱা উচিত। ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এই পুৰণি জগতখন এতিয়া নাশ হৈ যাব, সেইকাৰণে এইখন জগতৰ পৰা সন্ন্যাস ল'ব লাগে। জগতখন এৰি কলৈকো যাব নালাগে, কিন্তু ইয়াক বুদ্ধিৰে পাহৰিব লাগে।

(2) নিৰ্বাণধামলৈ যাবৰ কাৰণে সম্পূৰ্ণ পাৱন হ'ব লাগে। ৰচনাৰ আদি-মধ্য-অন্তক সম্পূৰ্ণকৈ বুজি নতুন সৃষ্টিত উচ্চপদ ল'ব লাগে।

**বৰদান:** যিকোনো আত্মাক প্ৰাপ্তিৰ অনুভূতি কৰাওঁতা যথাৰ্থ সেৱাধাৰী হোৱা

যথাৰ্থ সেৱা ভাৱ অৰ্থাৎ সদায় প্ৰত্যেক আত্মাৰ প্ৰতি শুভ-ভাৱনা, শ্ৰেষ্ঠ-কামনাৰ ভাৱ। সেৱা ভাৱ অৰ্থাৎ প্ৰত্যেক আত্মাক ভাৱনা অনুসৰি ফল দিয়া। সেৱা অৰ্থাৎ যিকোনো আত্মাক প্ৰাপ্তিৰ ফল অনুভৱ কৰোৱা। এনে সেৱাত তপস্যা লগতে আছে। য'ত যথাৰ্থ সেৱা ভাৱ থাকে ত'ত তপস্যাৰ ভাৱ পৃথক নহয়। যি সেৱাত ত্যাগ তপস্যা নাথাকে সেয়া নামমাত্ৰ সেৱা, সেই কাৰণে ত্যাগ তপস্যা আৰু সেৱাৰ সংযুক্ত ৰূপেৰে সঁচা যথাৰ্থ সেৱাধাৰী হোৱা।

**শ্লোগান:** নম্ৰতা আৰু ধৈৰ্যৰ গুণ ধাৰণ কৰা তেতিয়া ক্ৰোধাগ্নিও শান্ত হৈ যাব।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত**:** এতিয়া একাগ্ৰতাৰ অগ্নি প্ৰজ্বলিত কৰি যোগ জ্বালা ৰূপ কৰি তোলা

এতিয়া নিৰ্ভয় জ্বালামুখী হৈ প্ৰকৃতি আৰু আত্মাসকলৰ ভিতৰত যি তমোগুণ আছে সেয়া ভস্ম কৰা। তপস্যা অৰ্থাৎ জ্বালা স্বৰূপ স্মৃতি, এই স্মৃতিৰ দ্বাৰাই মায়া বা প্ৰকৃতিৰ ভয়ানক ৰূপ শীতল হৈ যাব। তোমালোকৰ তৃতীয় নেত্ৰ, জ্বালামুখী নেত্ৰই মায়াক শক্তিহীন কৰি দিব।